بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধৰ পৰিস্থিতি আৰু সংঘটিত হোৱা ঘটনা সম্পৰ্কে বৰ্ণনা আৰু পেলেষ্টাইনৰ নিপীড়িত জনতাৰ হকে দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৯ জানুৱাৰী ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيۡكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُوۡلُهُ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় উহুদৰ যুদ্ধৰ বিৱৰণী চলি আছিল, এই সম্পৰ্কে আৰু বৰ্ণনা কৰিবলৈ আছে। যেনেকৈ বৰ্ণনা কৰা হৈছিল যে শত্ৰু সকলে ঘোষণা কৰিছিল, আঁহজৰত (ছাঃ)ক তেওঁলোকে মাৰি পেলাইছে। আঁহজৰত (ছাঃ)ৰ এই শ্বাহাদতৰ খবৰ যিজনে প্ৰচাৰ কৰিছিল, তেওঁৰ উদ্দেশ্য সফল হৈছিল কাৰণ মুছলমান সকলে এই ভূৱা খবৰ শুনিয়ে নিৰাশ হৈ পৰিছিল। এই ঘটনাৰ বৰ্ণনাত উল্লেখ আছে যে যেতিয়া ইবনে কমাইয়া এয়া ধাৰণা কৰিছিল যে তেওঁ আঁহজৰত (ছাঃ)ক শ্বহীদ কৰিছে তেতিয়া তেওঁ নিজৰ ফালৰ পৰা চিঞৰি চিঞৰি ঘোষণা কৰিছিল মহম্মদ (ছাঃ) শ্বহীদ হৈ গৈছে। বৰ্ণনাত এয়াও উল্লেখ আছে যে এয়া ঘোষণা কৰোঁতা জন চয়তান আছিল। এই বিষয়ে কেইবাটাও কথাৰ উল্লেখ পোৱা যায় যে এনে ঘোষণা কৰিছিল কোনে ? উত্তৰত আছে সম্ভৱত বিভিন্ন লোকে মিলি এনে ঘোষণা কৰিছিল নাইবা কোনো দুষ্ট প্ৰকৃতিৰ লোকে এই কথাটো প্ৰচাৰ কৰিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবিঈন পুস্তকত লিখিছে যে তেতিয়া মুছলমান সকলে ময়দানত তিনিটা গ্ৰুপত বিভক্ত হৈ আছিল। তাৰে এটা গ্ৰুপে ময়দানত আঁহজৰত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি ময়দান এৰি পিছুৱাই গৈছিল। এওঁলোকৰ মাজত হজৰত উচমান বিন আফফান (ৰাঃ)ও আছিল। কিন্তু কোৰআন কৰিমত উল্লেখ আছে যে সেই সময়ৰ এই বিশেষ পৰিস্থিতি আৰু লোকৰ ঈমান আৰু একাগ্ৰতা চাই আল্লাহ তা'লা তেওঁলোকক ক্ষমা কৰি দিছে। সেই পিছুৱাই যোৱা

লোকসকলৰ পৰা কিছুমানে একেবাৰে মদিনালৈ গুচি গৈছিল যাৰ ফলত মদিনাতও আঁহজৰত (ছাঃ)ৰ শ্বাহাদত আৰু ইছলামী সৈন্যৰ পৰাজয়ৰ খবৰ প্ৰচাৰ হৈছিল; আৰু গোটেই চহৰখনত কোলাহল আৰু শোকৰ ছাঁ নামি আহিছিল। মুছলমান নাৰী, পুৰুষে, ল'ৰা-বুঢ়াই উহুদৰ ফালে যাত্ৰা কৰে আৰু কিছুমানে দৌৰি গৈ যুদ্ধৰ ময়দানত উপস্থিত হয় আৰু আল্লাহৰ নাম লৈ শত্ৰুৰ শাৰীৰ মাজত সোমাই যায়। আন এটা দলে আঁহজৰত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি যুদ্ধ কৰাটো বিফল হ'ব বুলি অস্ত্ৰ সামৰি বহে। মাত্ৰ তৃতীয় দলটোৱে অবিৰাম যুদ্ধ চলাই গৈছিল। এওঁলোকৰ কিছুমানে আঁহজৰত (ছাঃ)ৰ চাৰিওফালে অৱস্থান কৰি যুদ্ধ চলাই গৈছিল আৰু অসীম বীৰত্বৰে পৰিচয় দিছিল আৰু প্ৰাণ দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। বাকী আৰু বেছি ভাগেই যুদ্ধ ময়দানত ছেদেলি-ভেদেলি হৈ অকলশৰীয়া ভাৱে যুদ্ধ অব্যাহত ৰাখিছিল। তেওঁলোকৰ লগত যেতিয়া আঁহজৰত (ছাঃ)ৰ ওচৰত থকা দলৰ লোকৰ লগত সাক্ষাৎ হৈ আঁহজৰত (ছাঃ)ৰ জীৱিত থকাৰ খবৰ পাইছিল তেতিয়া তেওঁলোকে প্ৰাণ প্ৰণে যুঁজ দি আহি আঁহজৰত (ছাঃ)ৰ ওচৰত জমা হ'বলৈ লৈছিল। সেই সময়ছোৱাত যুদ্ধৰ এনে ভয়ানক পৰিস্থিতি হৈছিল যে কুৰাইছ বাহিনী সমুদ্ৰৰ ঢেউৰ দৰে চাৰিওফালৰ পৰা আগবাঢ়ি আহিছিল আৰু যুদ্ধৰ ময়দানত চাৰিওফালৰ পৰা তীৰ আৰু পাথৰৰ যেনিবা বৰষুণ পৰি আছে। তেনেকুৱা দৃশ্যৰ সৃষ্টি কৰি পেলাইছিল। প্ৰাণৰ বাজি লগোৱা চাহাবা সকলে এনেকুৱা বিপদজনক পৰিস্থিতি চাই আঁহজৰত (ছাঃ)ৰ চাৰিওফালে ঘেৰি থিয় দিছিল আৰু নিজৰ শৰীৰেৰে তেখেত (ছাঃ)ক ঢাকি ধৰি শত্ৰুক প্ৰতিহত কৰি গৈছিল। কিন্তু যেতিয়া শত্ৰুৰ আক্ৰমণৰ প্ৰকোপ বেছি হৈ পৰিছিল গণিব পৰা কেইজন লোক তিষ্ঠিব নোৱাৰি ইফাল-সিফাল হৈ পৰিছিল আৰু এনেকুৱা অৱস্থাত আঁহজৰত (ছাঃ)য়ে মাজে মাজে প্ৰায় অকলশৰীয়া হৈ পৰিছিল। ঠিক তেনেকুৱা অকলশৰীয়া হৈ পৰা অৱস্থাত হজৰত ছাআদ বিন আবি উকাছ (ৰাঃ)ৰ মুশৰিক ভাই উতবা বিন আবি উকাচে দলিয়াই দিয়া এটা পাথৰ আহি আঁহজৰত (ছাঃ)ৰ মুখমণ্ডলত আঘাত হানে আৰু তেখেত (ছাঃ)ৰ দাঁত ভাঙি যায় আৰু ওঁঠ ফাটি যায়। তাৰ পিছত আব্দুল্লাহ বিন শ্বোহাবে মাৰি দিয়া পাথৰটো আহি আঁহজৰত (ছাঃ)ৰ কপালত আঘাত হানে, এনেদৰে তৃতীয় পাথৰটো,যিটো ইবনে কায়মায় দলিয়াই দিছিল, সেই পাথৰটো আহি তেখেত (ছাঃ)ৰ (ৰুখছাৰ মোবাৰকত) মূৰৰ ওপৰ ভাগত পৰিছিল যাৰ ফলত তেখেত (ছাঃ)ৰ পিন্ধা টুপীৰ গজাল দুডাল মূৰত সোমাই যায়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে দোৱা গৃহীত হোৱাৰ দাৰ্শনিক তত্ত্ব বৰ্ণনা কৰোঁতে এটা দীঘলীয়া বৰ্ণনাৰ সৈতে তেখেত (ৰাঃ)য়ে উহুদৰ এই ঘটনা খিনি উল্লেখ কৰিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)ক ধৰি নিবলৈ ইৰাণৰ বাদছাহ সিদ্ধান্ত লৈছিল কিন্তু ধৰি নিবলৈ অহাৰ আগতেই কেৱল মাত্ৰ ইয়ামিনৰ গভৰ্ণৰৰ এজন লোকে খবৰ দিবলৈ আহিছিল, এনেতে আল্লাহ তা'লাৰ কুদৰতত সেই ৰজাজনৰ পুত্ৰই ৰজাজনক হত্যা কৰি পেলায়। কিন্তু উহুদৰ যুদ্ধত শত্ৰুৱে তেখেত (ছাঃ)ৰ ওপৰত আক্ৰমণ চলায়, পাথৰ মাৰে, তেখেত (ছাঃ)ৰ দাঁত ভাঙি যায়, মূৰ জখম হৈ যায়, মূৰত গজাল সোমাই যায়, তেখেত (ছাঃ)য়ে অচেতন হৈ মাটিত বাগৰি পৰে আৰু সকলোৱে ধাৰণা কৰে যে তেখেত (ছাঃ) শ্বহীদ হৈ গৈছে। এতিয়া যদি কোনোবাই কয় যে আঁহজৰত (ছাঃ)ৰ ইমানেই সন্মান আল্লাহ তা'লা ৰাখিছিল যে তেখেত (ছাঃ)ৰ কাৰণে ইৰাণৰ ৰজাক ইমান দূৰতেই মৰোৱাই দিছিল তেন্তে সি উহুদৰ ময়দানত আঁহজৰত (ছাঃ)ৰ ওপৰত এনেদৰে পাথৰ বৰ্ষণ কৰিবলৈ কিয় দিছে? যিয়েই নহওঁক এনে অভিযোগ সম্বলিত প্ৰশ্ন শুদ্ধ নহয়। এয়া আচলতে আল্লাহ তা'লাৰ মুচলেহত আৰু হিকমত হয়। কোনো

কোনো ক্ষেত্ৰত সি সামান্য বিষয় এটাতে গ্ৰেপ্তাৰ কৰি লয়, আকৌ কোনো কোনো সময়ত মুচলেহতৰ ক্ষেত্ৰত ঢিলা এৰি দিয়ে যাতে মানৱৰ অসহায়তা আৰু দুৰ্বলতা মানুহে নিজে দেখিবলৈ পায়। সাধাৰণতে এনে ঘটনা ঘটিয়ে থাকে। হত্যাৰ ভুৱা বাতৰিৰ পিছত আকৌ চাহাবা সকলে ৰছুলুল্লাহ (ছাঃ)ক জীৱিত দেখিবলৈ পায়। এই বিষয়ে লিখিছে যে হজৰত আবু উবেয়দা (ৰাঃ)য়ে সৰ্ব প্ৰথম (এই শ্বহীদ হোৱা খবৰ শুনাৰ পিছত) ৰছুলুল্লাহ (ছাঃ) ক দেখিবলৈ পাইছিল যে তেখেত জীৱিত আছে। হজৰত আবু উবেয়দা (ৰাঃ)য়ে কৈছে যে মই আঁহজৰত (ছাঃ)ক তেখেতৰ চকুযুৰি চাই চিনি পাইছিলো, যি চেলাউৰিৰ তলত পোহৰিত আৰু উজ্জ্বল দেখা গৈছিল। মুছলমান সকলে আঁহজৰত (ছাঃ)য়ে জীৱিত থকাৰ খবৰ পাই এজন এজনকৈ আহি তেখেত (ছাঃ) ওচৰ পাইছিল। যেতিয়া প্ৰত্যেক মুছলমান সেনাই আঁহজৰত (ছাঃ)ক দেখা পাইছিল, তেতিয়া সকলোৱে আহি তেখেত (ছাঃ)ৰ ওচৰত পৰুৱাৰ দৰে জমা হৈ যায়। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে যেতিয়া কুৰাইছ বাহিনী অলপ পিছুৱাই গৈছিল আৰু যি সকল মুছলমান ময়দানত উপস্থিত আছিল, তেওঁলোকে আহি আঁহজৰত (ছাঃ)ৰ ওচৰত জমা হয়। তেতিয়া তেখেত (ছাঃ) য়ে সেই চাহাবা সকলক লৈ লাহে লাহে পাহাৰৰ ওপৰত থকা এখন নিৰাপদ গিৰিপথলৈ গুচি যায়। বাটতে মক্কাৰ এজন চৰদাৰ আবি বিন খালফে আঁহজৰত (ছাঃ)ক দেখিবলৈ পাইছিল আৰু হিংসাত জ্বলি উঠি **কাহলা নাজুৱাতু ইন নাজা** বুলি উচ্চাৰণ কৰি তেখেত (ছাঃ)ৰ ফালে চোঁচা লৈছিল। এই শব্দ বিলাকৰ অৰ্থ হ'ল যদি মহম্মদ (ছাঃ) জীৱিত ওলাই যায় তেন্তে ধৰি লোৱা মই জীয়াই থকা নাই। তেতিয়া চাহাবা সকলে তাক বাধা দিব বিচৰাত মহম্মদ মোস্তফা (ছাঃ)য়ে কৈছিল তাক এৰি দিয়া, আৰু মোৰ ওচৰলৈ আহিব দিয়া। এনেদৰে যেতিয়া আবি বিন খালফে আঁহজৰত (ছাঃ)ক আক্ৰমণ কৰিবলৈ উদ্যত হয় তেতিয়া তেখেত (ছাঃ)য়ে এপাট বল্লেমেৰে তাৰ ওপৰত আঘাত হানি দিয়ে আৰু তেওঁ মাটিত বাগৰি পৰে। তাৰ পৰা উঠি আবি বিন খালফে চিঞৰি চিঞৰি পলাই যায় যদিও সেই আঘাতত মক্কাৰ বাটত ওভতি যাওতে তাৰ মৃত্যু হৈছিল।

যেতিয়া আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক লৈ নিৰাপদ গিৰিপথত গৈ আশ্ৰয় লৈছিল তেতিয়াও কুৰাইছ সকলৰ এটা দলে খালিদ বিন অলিদৰ নেতৃত্বত পাহাৰৰ ওপৰত উঠি আক্ৰমণ চলোৱাৰ যো-জা কৰে। তেতিয়া আঁহজৰত (ছাঃ)ৰ আদেশ মৰ্মে হজৰত উমৰ (ৰাঃ)য়ে কেইজনমান মুহাজেৰিণক লগত লৈ গৈ সিহঁতক আগভেটা দিয়ে আৰু তাতে কাজিয়া হোৱাৰ পিছত কুৰাইছ সকলে পিছুৱাই যায়। এটা ৰিৱায়তত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে পাহাৰৰ টিঙত উঠি যাব বিচাৰিছিল, কিন্তু মূৰৰ আঘাতৰ পৰা তেজ ববলৈ ধৰে আৰু দুৰ্বলতাৰ কাৰণে যাবলৈ শক্তি পোৱা নাছিল। এই অৱস্থা চাই হজৰত তালহা বিন উবায়দুল্লাহ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক নিজৰ কান্ধত তুলি লৈ পাহাৰৰ টিঙলৈ লৈ গৈছিল। আঁহজৰত (ছাঃ)য়ে তেতিয়া কৈছিল, তাৰ ওপৰত জান্নাত ওয়াজিব হৈ গৈছে। হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ) য়ে যেতিয়া উহুদৰ যুদ্ধৰ দিনৰ বিষয়ে বৰ্ণনা কৰিছিল তেতিয়া কৈছিল সেই দিনটো গোটেইখিনি তালহাৰ বাবে আছিল।

উহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)য়ে যিবোৰ আঘাত পাইছিল এই সম্পৰ্কে বুখাৰি চৰিফত উল্লেখ আছে যে হজৰত ফাতিমা (ৰাঃ)য়ে নিজৰ দেউতাকে পোৱা আঘাতৰ ক্ষত স্থান ধুই আছিল আৰু হজৰত আলি (ৰাঃ) য়ে নিজৰ ঢালৰ পৰা পানী ঢালি দিছিল। হজৰত ফাতিমা (ৰাঃ)য়ে দেখিছিল যে পানী ঢালি দিয়াত

আৰু তেজ ওলাই আহি আছে, তেতিয়া তাই বস্তা এটুকুৰা জ্বলাই তাৰ ওপৰত লগাই দিয়ে,যাৰ ফলত তেজ বৈ অহা বন্ধ হৈছিল। তেখেত (ছাঃ)য়ে কৈছিল এই সম্প্ৰদায়ে কেনেকৈ কৃতকাৰ্যতা লভিব, যি সকলে নিজৰ নবীক আহত কৰি পেলাইছে আৰু দাঁত ভাঙি পেলাইছে। য'ত নবীয়ে কেৱল তেওঁলোকক আল্লাহ্ তা'লাৰ ফালে মাতিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বাকী বৰ্ণনা ইনশা আল্লাহ্ আগলৈ বৰ্ণনা কৰা হ'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে পেলেষ্টাইনৰ বাবে দোৱাৰ আহ্বান জনাই কয় যে পেলেষ্টাইনৰ বাবে মই দোৱা কৰিবলৈ কৈ থাকো। বৰ্তমানে মুছলমান দেশবোৰৰ অৱস্থা এনেকুৱা হৈ গৈছে যে পেলেষ্টাইনক বচোৱা বাদ দি নিজৰ ভিতৰতে দ্বন্দত লিপ্ত হ'বলৈ লৈছে। শুনিবলৈ পাই আছো যে পাকিস্তান আৰু ইৰাণৰ মাজত ক্লেশ,বিদ্বেষৰ সূচনা হৈ আছে, এজনে আনজনৰ ওপৰত বম বিস্ফোৰণ কৰি আছে। মুঠতে এটা বিপদজনক পৰিস্থিতিৰ উদ্রেক হৈ আছে। আল্লাহ তা'লা এই বিলাক মুছলমান দেশৰ নেতৃবৰ্গক প্ৰজ্ঞা দান কৰক, বিবেক জাগ্ৰত কৰক। আল্লাহ্ তা'লা প্ৰকৃতাৰ্থে তেওঁলোকক নিজৰ উদ্দেশ্য বুজি পাবলৈ তৌফিক দান কৰক আৰু এক উম্মতে ওৱাহিদাৰ অন্তৰ্ভুক্ত হওঁক।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে নামাজে জুমাৰ পিছত দুটা জানাজা গায়েব পঢ়া হ'ব। এজন হ'ল ছৈয়দ মৌলুদ আহমদ চাহাব ইবনে চৈয়দ দাউদ মুজাফ্‌ফৰ শ্বাহ চাহাব। যিজন হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ আৰু ছৈয়দ উম্মে তাহিৰ চাহিবাৰ নাতি আৰু মোৰ মাহীয়েকৰ ল'ৰা আছিল আৰু মোৰ পত্নীৰ ডাঙৰ ভায়েক আছিল। দ্বিতীয় জানাজা হ'ল আকমিদ আগ মহম্মদ চাহাব, সদৰ জামাত মেহেদীয়াবাদ ডোৰি ৰেজিয়ান বৰাকনা ফাছো; হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আল্লাহ তা'লা এওঁলোকৰ সতি-সন্তানক ধৈৰ্য ধাৰণ আৰু নেকি জাৰি ৰখাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهِ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهُ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 19 JAN 2024**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844